# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৪০/২০২০

## ডিব্ৰুগড় মিচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## অঞ্চল এটাৰ উন্নয়নৰ মাপকাঠি হৈছে শিক্ষা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** অঞ্চল এটাৰ উন্নয়নৰ মাপকাঠি হৈছে শিক্ষা। ডিব্ৰুগড় মিচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ইয়াৰ প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোক শিক্ষাৰ আলোকৰে আলোকিত কৰাৰ দিশত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। আগন্তুক সময়তো বিদ্যালয়খনে এই জয়যাত্ৰা অব্যাহত ৰাখি অঞ্চলটোৰ সামগ্ৰিক অগ্ৰগতিত বিশেষ ভূমিকা পালন কৰি যাব।' আজি ধেমাজি জিলাৰ ডিব্ৰুগড় মিচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিখন শিক্ষানুষ্ঠানে অঞ্চল একোটাৰ সামগ্ৰিক উন্নয়ন তথা বৌদ্ধিক বাতাবৰণ সৃষ্টিত অগ্ৰণী ভূমিকা পালন কৰে। ডিব্ৰুগড় মিচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে বহু সংখ্যক কৃতী ছাত্ৰ-ছাত্ৰীক গঢ় দি সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিছে। আগন্তুক সময়তো বিদ্যালয়খনে এই যাত্ৰা অব্যাহত ৰাখিব লাগিব। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে অধ্যয়নত ব্ৰতী হৈ ভৱিষ্যতে নিজৰ নিজৰ ক্ষেত্ৰত উজলি উঠি পৰিয়ালৰ লগতে অঞ্চলটোলৈ সুনাম কঢ়িয়াই অনাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ লগতে ক্ৰীড়া আৰু সংস্কৃতিৰ ক্ষেত্ৰখনতো ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ দিশত অনুপ্ৰেৰণা যোগাবলৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে পদক্ষেপ ল'ব বুলিও কয়।

আজিৰ এই অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাই বিধান সভা সমষ্টিৰ বিধায়ক ভুবন পেগু, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েংগিয়া, বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে অংশ গ্ৰহণ কৰে।

বঃভাঃ
৩০/০১/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in